# আমাৰ এন আৰ চি
# ন্যায়সংগত এন আৰ চি

NATIONAL REGISTER OF CITIZENS

## ১৫-০২-২০১৮ তাৰিখৰ পৰা সমগ্ৰ ৰাজ্যতে বংশবৃক্ষ পৰীক্ষণৰ কাম আৰম্ভ হ'ব

- বংশবৃক্ষ পৰীক্ষণ হৈছে আবেদনকাৰীসকলে ব্যৱহাৰ কৰা লিগেচি ডাটাৰ সত্যাসত্যতা নিৰূপণৰ এক পদ্ধতি। এই পদ্ধতিৰ দ্বাৰা একেজন পূৰ্বপুৰুষৰ বংশধৰ বুলি দাবী কৰা সকলোবোৰ আবেদনকাৰীৰ বংশবৃক্ষৰ সবিশেষ মিলাই চোৱা হ'ব। অমিল পালে, একেজন পূৰ্বপুৰুষৰ / লিগেচি ব্যক্তিৰ বংশধৰ বুলি দাবী কৰি বংশবৃক্ষৰ তথ্য দাখিল কৰা আবেদনকাৰী / বংশধৰসকলক অমিল হোৱাৰ কাৰণ ব্যাখ্যাৰ সুযোগ দিয়াৰ উদ্দেশ্যে কাৰ্য্যক্ৰমণিকা (প্ৰচিডিং) অনুষ্ঠিত কৰা স্থানলৈ মতা হ'ব।

- বংশবৃক্ষৰ তথ্যত ঘৰত মতা নাম উল্লেখ কৰা, বিবাহৰ পিছত নাম / উপাধিৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্ত্তন, অজ্ঞতাৰ বাবে পৰিয়ালৰ কোনো সদস্যৰ নাম উল্লেখ নকৰা ইত্যাদি কাৰণবশতঃ হোৱা প্ৰকৃত ভুল-ভ্ৰান্তিবোৰ প্ৰচিডিঙৰ সময়তে সংশোধন কৰা হ'ব।

- প্ৰচিডিং সাধাৰণতে পূৰ্বপুৰুষে / লিগেচি ব্যক্তিয়ে পূৰ্বতে বসবাস কৰা স্থানতে অনুষ্ঠিত হ'ব।

- প্ৰচিডিঙত উপস্থিত থাকিবলগীয়া আবেদনকাৰী সকলক এন আৰ চিৰ ক্ষেত্ৰ (Field) পৰ্য্যায়ৰ কৰ্মীয়ে আৱশ্যকীয় জাননী পত্ৰ তেওঁলোকৰ ঘৰতে গৈ দি আহিব। জাননী পত্ৰত আবেদনকাৰী উপস্থিত থাকিবলগীয়া প্ৰচিডিঙৰ স্থান, তাৰিখ আৰু সময়ৰ বিতং তথ্য উল্লেখ কৰা হ'ব।

- **যিসকল আবেদনকাৰীয়ে জাননীপত্ৰ পাব, তেওঁলোকে ভয় নাইবা আশংকা কৰিব নালাগে কিয়নো, এই জাননী পোৱা মানে সন্দেহযুক্ত বিবেচিত হোৱা নাইবা এন আৰ চিৰ পৰা বাহিৰ হোৱা নুবুজায়।** এই পদ্ধতি হৈছে প্ৰতিজন প্ৰকৃত নাগৰিকৰ লিগেচি সুৰক্ষিত কৰাৰ আৰু অসাধু লোকৰ দ্বাৰা অবৈধভাৱে এন আৰ চিত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে তাৰ অপপ্ৰয়োগ ৰোধ কৰাৰ এক সুযোগ। এন আৰ চিৰ শুদ্ধতাৰ গুণগত মান বৃদ্ধিৰ ক্ষেত্ৰত এইটো জনসাধাৰণৰ অৱদান হ'ব।

- অসাধু লোকৰ দ্বাৰা অসৎ অভিপ্ৰায়েৰে নিজৰ লিগেচি ডাটাৰ অপপ্ৰয়োগ ৰোধ কৰিবলৈ ইতিমধ্যে প্ৰকাশিত আংশিক খচৰা এন আৰ চিত নাম অন্তৰ্ভুক্ত হোৱা কোনো কোনো আবেদনকাৰীয়েও প্ৰচিডিঙত উপস্থিত থাকিবলৈ আৰু সাক্ষ্য প্ৰদান কৰিবলৈ জাননী পত্ৰ পাব পাৰে।

- প্ৰচিডিঙত বংশবৃক্ষ পৰীক্ষণৰ বাবে উপস্থিত থাকিবলৈ কোৱা আবেদনকাৰীসকলক নিজৰ নিজৰ পৰিচয় সাব্যস্ত কৰাৰ বাবে একোখনকৈ ফটো-পৰিচয়পত্ৰ আৰু সমৰ্থক নথি-পত্ৰ লগত আনিবলৈ অনুৰোধ জনোৱা হ'ল। তেওঁলোকে নিজৰ ভাই-ককাই, বাই-ভনীসকলকো বংশজৰ দাবী সমৰ্থন কৰাৰ কাৰণে লগত আনিব পাৰে।



Exclusive/NRC/02-18-9

জনহিতাৰ্থে প্ৰচাৰিত

**ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ**

**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক

১৫১০৭ (অসমৰ বাবে)
১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক